# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 03-11-2024
**Time :** 1800 Hrs

## *Assamese Evening Bulletin*

- - - - - - - - - - - - -

ৰাজ্যৰ পাঁচটা বিধানসভা সমষ্টিত অহা ১৩ নৱেম্বৰত হ'বলগীয়া উপ-নিৰ্বাচনৰ বাবে সংশ্লিষ্ট জিলা প্ৰশাসনসমূহৰ সহযোগত নিৰ্বাচনী বিভাগে নিৰ্বাচনত নিয়োজিত হ'বলগীয়া বিষয়াসকলৰ প্ৰশিক্ষণকে ধৰি যাৱতীয় প্ৰস্তুতি সম্পূৰ্ণ কৰিছে। আজি চামগুৰি সমষ্টিৰ উপ-নিৰ্বাচনত নিয়োজিত প'লিং আৰু প্ৰিজাইডিং বিষয়াসকলৰ দ্বিতীয় পৰ্যায়ৰ প্ৰশিক্ষণ অনুষ্ঠিত হয়। ইপিনে জিলাখনত নিৰ্বাচনী আচৰণ বিধি বলৱৎ হোৱাৰে পৰা এই বিধি উলংঘাকাৰী ঘটনাৰ বিৰুদ্ধে অভিযান অব্যাহত ৰখা হৈছে। কালি জিলাখনৰ ৰূপহীহাট থানাৰ অন্তৰ্গত লাওখোৱা পথত চাৰে চাৰি লাখ টকাৰো অধিক নগদ ধন জব্দ কৰা হয়।

ইপিনে শাসকীয় বিজেপি আৰু বিৰোধী দল কংগ্ৰেছৰ লগতে আঞ্চলিক দলসমূহে নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত প্ৰচাৰ অভিযান তীব্ৰ কৰি তুলিছে। আজি কেবিনেট মন্ত্ৰী অশোক সিংহলে বৰপেটাত উপস্থিত হৈ জনসাধাৰণে চৰকাৰখনৰ উন্নয়নমূলক কামৰ বাবে আস্থা প্ৰকাশ কৰি আহিছে আৰু নিৰ্বাচনত এই কথা প্ৰতিফলিত হ'ব বুলি আশা প্ৰকাশ কৰে।

ইপিনে ৰাজ্যৰ পাঁচটা সমষ্টিৰ উপ-নিৰ্বাচনৰ দায়িত্বত নিয়োজিত কৰ্মচাৰীসকলে মাতৃ-পিতৃ বন্দনা যোজনাৰ অধীনত নিৰ্বাচনৰ পৰৱৰ্তী সময়ছোৱাত বিশেষ ছুটী লাভ কৰিব বুলি প্ৰকাশ কৰা হৈছে। ইয়াৰ পূৰ্বে ৰাজ্য চৰকাৰে কৰ্মচাৰীসকলক অহা ৬ আৰু ৮ নৱেম্বৰত এই ছুটীৰ সুবিধা আগবঢ়াইছিল। এই বিশেষ ছুটীৰ অধীনত কৰ্মচাৰীসকলক ৭ নৱেম্বৰ ষট পূজা, ৯ নৱেম্বৰ মাহৰ দ্বিতীয়টো শনিবাৰ আৰু ১০ নৱেম্বৰ দেওবাৰৰ দিনটো একেলগে সামৰি লোৱা হ'ব বুলি কোৱা হৈছিল। উপ-নিৰ্বাচনৰ দিন ঘোষণা কৰাৰ ফলত সংশ্লিষ্ট সমষ্টিকেইটাৰ কৰ্মচাৰীসকলৰ বাবে এই ছুটী লোৱাত সমস্যা সৃষ্টি হোৱাৰ বাবে পৰৱৰ্তী সময়ত এই ছুটী প্ৰদান কৰা হ'ব বুলি ঘোষণা কৰা হৈছে।

ooooo

ৰাজ্যৰ প্ৰথমখন চিকিৎসা প্ৰতিষ্ঠান অসম চিকিৎসা মহাবিদ্যালয় চিকিৎসালয়ৰ আজি ৭৮ সংখ্যক প্ৰতিষ্ঠা দিৱস। এই উদ্দেশ্যে চিকিৎসালয়খনত অনুষ্ঠিত প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচীত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে। ৰাজ্য চৰকাৰৰ মন্ত্ৰী বিমল বৰা, সাংসদ ৰামেশ্বৰ তেলী, বিধায়ক বলীন চেতিয়া, অসম চিকিৎসা মহাবিদ্যালয়ৰ অধ্যক্ষ সঞ্জীৱ কাকতিকে ধৰি ভালেকেইজন বিশিষ্ট ব্যক্তিও আজিৰ কাৰ্যসূচীত উপস্থিত থাকে।

ভাষণ প্ৰসংগত শ্ৰী সোণোৱালে অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ চিকিৎসা শিক্ষাৰ ক্ষেত্ৰখনলৈ অনুষ্ঠানটোৱে জন্মলগ্নৰে পৰা আগবঢ়োৱা গুণগত অৱদানৰ কথা উল্লেখ কৰে। উল্লেখযোগ্য যে ১৯৪৭ চনৰ ৩ নৱেম্বৰৰ দিনা পূৰ্বৱৰ্তী বেৰীহোৱাইট মেডিকেল স্কুলৰ ঠাইত অসম চিকিৎসা মহাবিদ্যালয় প্ৰতিষ্ঠা কৰা হৈছিল। উজনি অসমৰ চিকিৎসাৰ প্ৰাণকেন্দ্ৰস্বৰূপে চিকিৎসা মহাবিদ্যালয়খনে অসমৰ লগতে চুবুৰীয়া ৰাজ্যৰ

ৰোগীসকলৰ বাবে অপৰিসীম সেৱা আগবঢ়াই আহিছে বুলি আজি ভাষণ প্ৰসংগত মন্ত্ৰী সোণোৱালে উল্লেখ কৰে। তেওঁ লগতে যিসকল প্ৰথিতযশা ব্যক্তিৰ চিন্তা আৰু প্ৰচেষ্টাৰ ফলত মহাবিদ্যালয়খন প্ৰতিষ্ঠা হৈছিল, তেওঁলোককো কৃতজ্ঞতাৰ সৈতে স্মৰণ কৰে।

**-বাইট-**

০০০০০

অসম চৰকাৰে দুৰ্নীতিক কোনো কাৰণতে প্ৰশ্ৰয় নিদিয়ে আৰু ৰাজ্যখনৰ পৰা অনীতি-অনিয়ম দূৰ কৰিবলৈ চৰকাৰে কঠোৰ পদক্ষেপ লৈ আহিছে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। দুৰ্নীতি ৰোধ কৰাৰ বাবে নীতিৰ সংস্কাৰ সাধনৰ উপৰি দুৰ্নীতিত লিপ্ত বিষয়াসকলক চিনাক্ত কৰি শাস্তি বিহাৰ ব্যৱস্থাও কৰা হৈছে বুলি তেওঁ উল্লেখ কৰে। তেওঁ কয় যে, ৰাজ্য চৰকাৰে গ্ৰহণ কৰা কঠোৰ স্থিতি অনুসৰি ২০২১ চনৰ পৰা দুৰ্নীতিৰ বিৰুদ্ধে দুই শতাধিক গোচৰ ৰুজু কৰাৰ লগতে ২৫৬ জন লোকক আটক কৰা হৈছে। ইয়াৰ ভিতৰত ২৩৬ জন চৰকাৰী চাকৰিয়াল আৰু ২০ জন মধ্যভোগী বুলি তেওঁ উল্লেখ কৰে। এই সময়ছোৱাত অসাধু উপায়েৰে সংগ্ৰহ কৰা ৭ কোটি ৮০ লাখ ৮৪ হাজাৰৰো অধিক ধন জব্দ কৰা হৈছে বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে।

০০০০০

অৰুণোদয় আঁচনিৰ তৃতীয় পৰ্যায়ৰ ৰূপায়ণ সন্দৰ্ভত আজি যোৰহাট জিলা আয়ুক্তৰ কাৰ্যালয়ত জিলা পৰ্যায়ৰ নিৰীক্ষণ সমিতিৰ এখন বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত ৰাজ্যৰ বিত্ত, মহিলা আৰু শিশু বিকাশ মন্ত্ৰী তথা জিলাখনৰ অভিভাৱক মন্ত্ৰী অজন্তা নেওগে অংশ লৈ এই ধ্বজাবাহী আঁচনিখন ৰূপায়ণৰ পৰ্যালোচনা কৰে। তেওঁ যোগ্য হিতাধিকাৰী বাছনিৰ ক্ষেত্ৰত অত্যন্ত সতৰ্কতা অৱলম্বন কৰাৰ লগতে আঁচনিখনৰ ক্ষেত্ৰত প্ৰযোজ্য চৰ্ত তথা নিৰ্দেশনাসমূহ পালনৰ বাবে আহ্বান জনায়। এই অনুষ্ঠানত বিধায়ক হিতেন্দ্ৰ নাথ গোস্বামী, ভাস্কৰজ্যোতি বৰুৱাৰ উপৰি ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০

সমাপ্ত